# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 25-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিছাছৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডত থকা সহযোগিতাৰ সন্দৰ্ভত আলোচনা কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ কুইংডাওত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত এটা উচ্চ পৰ্যায়ৰ ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সভাপতিত্বত কালি নতুন দিল্লীত বিকশিত কৃষি সংকল্প অভিযানৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

৪। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ইজৰাইল আৰু ইৰানৰ মাজৰ যুদ্ধবিৰতিৰ ঘোষণাক আদৰণি জনাইছে। *আৰু*

৫। হেডিংলী টেষ্টৰ প্ৰথমখন খেলত যোৱা নিশা ইংলেণ্ডে ভাৰতক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মৰিছাছৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগুলামৰ সৈতে উন্নয়ন অংশীদাৰিত্ব, প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, ডিজিটেল আন্তঃগাঁথনি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন খণ্ডত থকা সহযোগিতাৰ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীমোদীয়ে লগতে **মহাসাগৰ** দৰ্শন আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ দৰে মৰিছাছৰ উন্নয়নৰ দিশত গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ কুইংডাওত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত এটা উচ্চ পৰ্যায়ৰ ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব। এই দুদিনীয়া বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা, সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ প্ৰচেষ্টা আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়সমূহৰ মাজত সহযোগিতা বৃদ্ধিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ আশা কৰা হৈছে। শ্ৰীসিঙে বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সিদ্ধান্ত আৰু আদেশসমূহৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব দিয়াৰ সম্ভাৱনা আছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ নিৰ্মূলৰ বাবে যুটীয়া আৰু নিৰন্তৰ প্ৰচেষ্টাৰ বাবে আহ্বান জনাব। এই বৈঠকৰ সুযোগতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে চীন আৰু ৰাছিয়াকে ধৰি কেইবাখনো দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২০০১ চনত গঠন হোৱা ছাংহাই সহযোগিতা সংস্থা হৈছে এটা আন্তঃচৰকাৰী সংস্থা। ২০১৭ চনত ভাৰত ইয়াৰ পূৰ্ণাংগ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল। সম্প্ৰতি এই সংস্থাত কাজাখস্তান, চীন, কিৰ্গিস্তান, পাকিস্তান, ৰাছিয়া, তাজিকিস্তান, উজবেকিস্তান, ইৰান, বেলাৰুছ আৰু ভাৰত সদস্য ৰাষ্ট্ৰ হিচাপে আছে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সভাপতিত্বত কালি নতুন দিল্লীত বিকশিত কৃষি সংকল্প অভিযান সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ সময়ত একৈশ শ ন'ডেল কৃষি বিষয়াই এই অভিযানৰ মূল তথ্য, ক্ষেত্ৰ অভিজ্ঞতা, আৰু কাৰ্যপন্থা উপস্থাপন কৰে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি, বৈঠকত যোৱা মাহৰ ২৯ তাৰিখৰ পৰা চলিত মাহৰ ১২ তাৰিখলৈকে চলা এই অভিযানৰ ফলাফলৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় আৰু ভৱিষ্যতৰ কৌশলগত ৰোডমেপৰ ওপৰত আলোচনা কৰা হয়। বৈঠকৰ সময়ত শ্ৰী চৌহানে এই অভিযানক স্বাধীন ভাৰতৰ এটা ঐতিহাসিক আন্দোলন বুলি অভিহিত কৰে। তেওঁ দাইল, তৈলবীজ, সৰিয়হ, কপাহ, চুপাৰি আদিৰ দৰে প্ৰধান শস্যসমূহৰ গুণাগুণ উন্নত কৰাৰ বাবে বাবে শস্য যুদ্ধ আৰম্ভ কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। আয় বৃদ্ধি, খাদ্য সুৰক্ষা, আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ আদি বিষয়ত মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপ নতুন দৃষ্টিভংগীৰে অব্যাহত ৰখাৰ কথাও মন্ত্ৰীগৰাকীয়ে জোৰ দি কয়।

০০০০০

ভাৰত সমূহীয়া ৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ জৰিয়তে ২০২৭ চনৰ ভিতৰত ৫ লাখ কোটি মাৰ্কিন ডলাৰৰ অৰ্থনীতিৰ দিশে অগ্ৰসৰ হৈছে। মাৰ্চেণ্টছ চেম্বাৰ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিৰ দ্বাৰা আয়োজিত এটা অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লৈ কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোৱেলে এইদৰে কয়। শ্ৰীগোৱেলে কয়, যে ভাৰতে সেৱা, সুশাসন আৰু উদ্ভাৱনৰ জৰিয়তে পৰিকল্পিত বিকাশৰ লক্ষ্যৰে আগবাঢ়িছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সংকেতসমূহৰ কথা উল্লেখ কৰি কয়, যে ভাৰত বৰ্তমান বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতিত পৰিণত হৈছে। তেওঁ দেশৰ বিদেশী বিনিয়োগ ভাণ্ডাৰ বৰ্তমান ৬৯৮ বিলিয়ন ডলাৰ স্পৰ্শ কৰিছে বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ব্ৰিটেইন, অষ্ট্ৰেলিয়া আৰু ইউৰোপীয় সংঘৰ দৰে বিকশিত অৰ্থব্যৱস্থাৰ সৈতে মুক্ত বাণিজ্য চুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ সক্ৰিয় প্ৰয়াস সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

দুদিনীয়া কাৰ্যসূচীৰে পুনেত অনুষ্ঠিত ভাৰত-নেপাল সুৰক্ষা বিষয়ক দ্বিপাক্ষিক পৰামৰ্শ গোটৰ যোড়শ বৈঠকৰ কালি অন্ত পৰে। বৈঠকত চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ মাজৰ সুৰক্ষা সহযোগিতা সন্দৰ্ভত আলোচনা কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুনু মহাৱৰেই ভাৰতীয় প্ৰতিনিধি সকলক নেতৃত্ব দিয়াৰ বিপৰীতে নেপালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দক্ষিণ এছিয়াৰ যুটীয়া সচিব গাহেন্দ্ৰ ৰাজ ভাণ্ডাৰীয়ে নেপালৰ প্ৰতিনিধিসকলক নেতৃত্ব দিয়ে। দুয়োখন দেশে যুটীয়া সামৰিক কাৰ্যকলাপ, সামগ্ৰীৰ যোগান, প্ৰশিক্ষণ, দুৰ্যোগ সঁহাৰি অভিযানৰ দৰে সুৰক্ষা আৰু প্ৰতিৰক্ষা সহযোগিতাৰ সৈতে জড়িত বিভিন্ন বিষয়ত ফলপ্ৰসূ আলোচনা কৰে। তদুপৰি পাৰস্পৰিকভাৱে উপকৃত হ'ব পৰা সহযোগিতাৰ বাবে সম্ভাৱনাৰ অন্বেষণ কৰিবলৈ প্ৰতিনিধিসকলে গুৰুত্বপূৰ্ণ ৰাজহুৱা আৰু ব্যক্তিগত প্ৰতিৰক্ষা খণ্ডৰ নিৰ্মাণ ব্যৱস্থাসমূহ পৰিদৰ্শন কৰা।

০০০০০

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ইজৰাইল আৰু ইৰানৰ মাজৰ যুদ্ধবিৰতিৰ ঘোষণাক আদৰণি জনাইছে। দুয়োখন দেশৰ জনসাধাৰণে ইতিমধ্যে বহু যন্ত্ৰণা ভুগিছে বুলি উল্লেখ কৰে গুটেৰেছে ইজৰাইল আৰু ইৰানক এই যুদ্ধবিৰতিৰ সন্মান কৰিবলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইজৰাইল আৰু ইৰাণৰ মাজৰ যুদ্ধ বিৰতি বলবৎ হৈ আছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। শ্ৰীট্ৰাম্পে কয়, যে ইজৰাইলে ইৰানক আক্ৰমণ নকৰে আৰু সকলো বিমান গৃহ অভিমুখে ৰাওনা হ'ব। শ্ৰীট্ৰাম্পে লগতে যুদ্ধ বিৰতি বলবৎ হৈ থকা বাবে কোনো লোক আহত নহয় বুলি মন্তব্য কৰে। অৱশ্যে যুদ্ধ বিৰতি ঘোষণাৰ ঠিক পাছতে ইৰানে এইকথা অস্বীকাৰ কৰি কয়, যে ইৰানে ৱাশ্বিংটনৰ পৰা এই সন্দৰ্ভত কোনো আনুষ্ঠানিক প্ৰস্তাৱ পোৱা নাই।

00000

ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাক মহাকাশলৈ কঢ়িয়াই আজি নিশা ভাৰতীয় সময় অনুসৰি ১২বাজি ১মিনিটত আমেৰিকাৰ ফ্ল'ৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা এক্সিয়াম-ফ'ৰ অভিযান আৰম্ভ হ'ব। ইছৰোৱে সামাজিক মাধ্যমত দিয়া এটা পোষ্টত জনাইছে যে এক্সিয়াম-৪ যানখনে উৎক্ষেপণৰ প্ৰায় ২৮ ঘণ্টাৰ পিছত কাইলৈ বিয়লি চাৰি বাজি ৩০মিনিটত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ (আই এছ এছ)ৰ সৈতে সংযোগ স্থাপন কৰিব। ইয়াৰ পূৰ্বে যোৱা ২৯ মে'তে উৰা মাৰিবলগীয়া এক্স-ফৰ মহাকাশ যানখনৰ উৰণ কাৰিকৰী সমস্যা আৰু প্ৰতিকূল বতৰৰ বাবে কেবাবাৰো স্থগিত ৰাখিবলগীয়া হৈছিল। এই ঐতিহাসিক অভিযানে আমেৰিকা, ভাৰত, পোলেণ্ড, আৰু হাংগেৰীৰ চাৰিজন মহাকাশচাৰীক আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ লৈ যাব আৰু পৃথিৱীৰ নিম্ন কক্ষপথত ১৪ দিনীয়া অভিযান চলাব। এই অভিযানত অংশগ্ৰহণ কৰা চাৰিজন মহাকাশচাৰী হৈছে ভাৰতৰ সুভাংশু শুক্লা, পোলেণ্ডৰ স্লাৱ'জ উজনানস্কী, হাংগেৰীৰ টিবৰ কাপু, আৰু আমেৰিকাৰ পেগী হোৱাইটচন। নাছাৰ মহাকাশচাৰী হুলাইটছনে মিছন কমাণ্ডাৰ হিচাপে কাম কৰাৰ বিপৰীতে ১৯৮৪ চনৰ ৰাকেশ শৰ্মাৰ অভিযানৰ পিছত মহাকাশ ভ্ৰমণ কৰা ভাৰতৰ দ্বিতীয়জন মহাকাশচাৰী হ'ব শুভাংশু শুক্লা। মহাকাশত উপস্থিত হোৱাৰ পিছত মহাকাশচাৰীসকলে মহাকাশ কেন্দ্ৰত প্ৰায় দুসপ্তাহ সময় কটাব। মহাকাশচাৰীসকলে এই অভিযানৰ অধীনত ইছৰোৰ নেতৃত্বত কেইবাটাও যুগান্তকাৰী গৱেষণা প্ৰকল্পকে ধৰি ৩১খন দেশৰ প্ৰায় ৬০টা বৈজ্ঞানিক অধ্যয়ন চলাব।

00000

তামিলনাডুৰ মুখ্যমন্ত্ৰী এম.কে.ষ্টালিনে ইৰাণত আবদ্ধ হৈ থকা তামিলনাডুৰ মাছমৰীয়াসকলক নিৰাপদে ঘূৰাই অনাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক আহ্বান জনাইছে। তামিলনাডুৰ কন্যাকুমাৰী, তিৰুনেলভেলি, থুথুকুডি আৰু ৰামনাথাপুৰম জিলাৰ অন্তৰ্গত ৬৫১ জন মাছমৰীয়া বৰ্তমানো ইৰাণত আবদ্ধ হৈ আছে আৰু তেওঁলোকক সুকলমে স্বদেশলৈ ওভতাই আনিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে বিদেশ মন্ত্ৰীগৰাকীক পত্ৰযোগে আহ্বান জনাইছে।

00000

সংবিধান হত্যা দিৱস আজি পালন কৰা হ'ব। ১৯৭৫ চনৰ ২৫ জুনত সংবিধানক অৱমাননাৰ ঘটনাক সুঁৱৰি এই দিৱস পালন কৰা হয়। এই দিনটোত ভাৰতীয় ইতিহাসৰ সবাতোকৈ ক'লা সময়ৰূপে পৰিচিত জৰুৰীকালীন পৰিস্থিতিৰ বাবে জীয়াতু ভুগিবলগীয়া সকলো লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

00000

হেডিংলী টেষ্টৰ প্ৰথমখন খেলত যোৱা নিশা ইংলেণ্ডে ভাৰতক ৫ উইকেটত পৰাস্ত কৰে। ইংলেণ্ডে ৩৭১ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি দ্বিতীয় ইনিংছৰ অন্তিম দিনা ৫টা উইকেট হেৰুৱাই ৩৭৩ ৰান কৰে। দৃঢ় বেটিঙেৰে দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰা ঘৰুৱা দলটোৰ অপেনাৰদ্বয় বেন ডাকেটে ১৪৯ আৰু জেক ক্ৰলীয়ে ৬৫ ৰান কৰে। জ' ৰুটৰ ৫৩ আৰু জেমি স্মিথৰ ৪৪ ৰানৰ সহায়ত দলটোৱে সোনকালে ৫ খনীয়া টেষ্ট শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰে। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণা আৰু ছাৰ্দুল ঠাকুৰে দুটাকৈ উইকেট দখল কৰে। ডাকেটক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ভাৰতে কালি দ্বিতীয় ইনিংছৰ চতুৰ্থ দিনা আঠাইকেইটা উইকেট হেৰুৱাই ৩৬৪ ৰান সংগ্ৰহ কৰে। ভাৰতে প্ৰথম ইনিংছত সংগ্ৰহ কৰা ৪৭১ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে প্ৰথম ইনিংছত ৪৬৫ ৰান কৰিছিল।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ২ জুলাইত বাৰ্মিংহামত আৰম্ভ হ'ব।

ooooo

সমাপ্ত